জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৯/২০২২

# নুমলীগড় শোধনাগাৰ লিমিটেডৰ সম্প্ৰসাৰিত প্ৰকল্পৰ লগত সম্পৰ্কিত বিষয়সমূহ আলোচনা কৰাৰ বাবে বৈঠক অনুষ্ঠিত কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** নুমলীগড় শোধনাগাৰ লিমিটেডৰ সম্প্ৰসাৰ প্ৰকল্পৰ বাবে ৬০০ বিঘা ভূমি অধিগ্ৰহণ সম্পৰ্কীয় সকলো বিষয় সমাধানৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নুমলীগড়ৰ এন আৰ এল গেষ্ট হাউছত এচিএমছ, এটিটিএছএ, এনআলএল, গোলাঘাট জিলা প্ৰশাসন আৰু ৰাজাবাৰী চাহ বাগিচাৰ প্ৰতিনিধিসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

সকলো পক্ষৰে কথা শুনাৰ পিছত এই সন্দৰ্ভত হোৱা বিস্তৃত আলোচনাত মুখ্যমন্ত্ৰীয়ে ভূমি অধিগ্ৰহণৰ বিষয়টোৰ আশু সমাধানৰ বাবে কেইবাটাও নিৰ্দেশনা প্ৰদান কৰে যাতে এই অধিগ্ৰহণৰ দ্বাৰা ৰাজাবাৰী চাহ বাগিচাৰ এজনো স্থায়ী অথবা অস্থায়ী কৰ্মী ক্ষতিগ্ৰস্ত হ'বলগীয়া নহয়।

মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা অনুসৰি চাহ বাগিচাৰ ১৫৬ জন স্থায়ী কৰ্মচাৰীক ৫ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ ভিতৰত চাহ বাগিচা কৰ্তৃপক্ষই ৪ লাখ টকা আৰু ৰাজ্য চৰকাৰে ১ লাখ টকা পৰিশোধ কৰিব। একেধৰণে ২২২ জন অস্থায়ী কৰ্মীক ২.৫০ লাখ টকাৰ ক্ষতিপূৰণ প্ৰদান কৰা হ'ব। ইয়াৰে চাহ বাগিচা কৰ্তৃপক্ষই ২ লাখ টকা আৰু ৰাজ্য চৰকাৰে ৫০ হাজাৰ টকা পৰিশোধ কৰিব। তদুপৰি এনআৰএলে বাগিচাখনৰ ১০০ গৰাকী শ্ৰমিকক নিযুক্তি দিয়াৰ বাবে আগবাঢ়ি আহিছে। ইয়াৰে ৫০ গৰাকী স্থায়ী আৰু ৫০ গৰাকী অস্থায়ী কৰ্মচাৰী থাকিব।

এএটিএছএ আৰু এচিএমএছৰ প্ৰতিনিধিসকলে জনোৱা অনুৰোধৰ প্ৰতি সহাঁৰি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে স্থানীয় যুৱক-যুৱতী বিশেষকৈ চাহ বাগিচাৰ যুৱ-প্ৰজন্মৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি নুমলীগড়ত এটা অত্যাধুনিক দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ বাবে পদক্ষেপ লোৱা হ'ব। তেওঁ এচিএমক আশ্বাস প্ৰদান কৰি গোলাঘাট জিলাৰ মিছন পেটিত প্ৰস্তাৱিত হোষ্টেল নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ পৰা বিত্তীয় সমৰ্থন আগবঢ়োৱা হ'ব বুলিও কয়।

বৈঠকত কৃষি মন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু বিধায়ক বিশ্বজিৎ ফুকন উপিস্থিত আছিল।

**বীঃগঃ / পুঃডেঃ**
**৫-২-২০২২**